**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 05-06-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

০০০০০

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ চৰকাৰখনক সহানুভূতিশীল আৰু দুখীয়া জনসাধাৰণৰ কল্যাণৰ প্ৰতি উৎসৰ্গিত বুলি অভিহিত কৰিছে।

২। প্ৰধানমন্ত্ৰীয়ে কাইলৈ জম্মু-কাশ্মীৰত উধমপুৰ-শ্ৰীনগৰ-বাৰামুল্লা সংযোগী ৰে'ল প্ৰকল্প ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰিব।

৩। বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি নতুন দিল্লীত কাজাখস্তানৰ উপ-প্ৰধানমন্ত্ৰী আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰী মুৰাট নুৰ্টলিউৰ সৈতে বৈঠকত মিলিত হয়।

৪। ছিকিমৰ চটেনত আৱদ্ধ হৈ থকা পৰ্য্যটকসকলক উদ্ধাৰ কৰাৰ বাবে চলোৱা অভিযান প্ৰতিকূল বতৰৰ বাবে বন্ধ ৰাখিবলগীয়া হৈছে।

***আৰু***

৫। ভাৰতৰ চিৰাগ ছেট্টি আৰু সাত্বিকসাইৰাজ ৰণকীৰেড্ডীৰ যুটীটো ইণ্ডোনেছিয়া অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ ডাবলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ চৰকাৰখনক সহানুভূতিশীল আৰু দুখীয়া জনসাধাৰণৰ কল্যাণৰ প্ৰতি উৎসৰ্গিত বুলি অভিহিত কৰিছে। এন ডি এ চৰকাৰৰ ১১ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে কেন্দ্ৰীয় চৰকাৰে জনসাধাৰণক দৰিদ্ৰতাৰ গ্ৰাসৰ পৰা মুক্ত কৰাৰ লগতে সৰলীকৰণ, আন্তঃগাঁথনিৰ উন্নয়ন আৰু অন্তৰ্ভুক্তিৰ লক্ষ্যৰে গ্ৰহণ কৰা ঐতিহাসিক পদক্ষেপ সম্পৰ্কে আলোকপাত কৰি শ্ৰীমোদীয়ে এইদৰে প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে কয়, যে প্ৰধানমন্ত্ৰী আৱাস যোজনা, প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনা, জন-ধন যোজনা আৰু আয়ুষ্মান ভাৰতৰ দৰে উদ্যমসমূহে সকলোৰে বাবে বাসগৃহ, নিকা ৰন্ধন ইন্ধন, বেংকিং আৰু স্বাস্থ্য সেৱা সুলভ কৰি তুলিছে। তেওঁ কয়, যে প্ৰত্যক্ষ লাভ হস্তান্তৰ, ডিজিটেল অন্তৰ্ভুক্তি আৰু গ্ৰামাঞ্চলৰ শক্তিশালী আন্তঃগাঁথনিয়ে স্বচ্ছতাৰ লগতে সমাজৰ শেষৰজন ব্যক্তিলৈ লাভ আগবঢ়োৱাৰ পথ প্ৰশস্ত কৰিছে। দেশৰ ২৫

কোটিৰো অধিক লোকক দৰিদ্ৰতাৰ গ্ৰাসৰ পৰা মুক্ত কৰাৰ ক্ষেত্ৰত এই উদ্যমসমূহৰ উল্লেখনীয় ভূমিকাৰ বিষয়েও তেওঁ উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে প্ৰতিগৰাকী নাগৰিকেই মৰ্য্যাদা সহকাৰে জীৱন যাপনৰ সুযোগ লাভ কৰিব পৰা এখন সৰ্বাত্মক আৰু আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ প্ৰতি চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন  এন ডি এ চৰকাৰে ১১ বছৰ সম্পূৰ্ণ কৰাৰ দিশে অগ্ৰসৰ হৈছে। সেৱা, সুশাসন আৰু গৰীৱ কল্যাণৰ লক্ষ্যৰে অনুপ্ৰাণিত হৈ ভাৰতে বিগত দশকত উল্লেখনীয় ৰূপান্তৰ সাধন কৰিছে। আকাশবাণীৰ বাতৰি বিভাগৰ দ্বাৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে যোৱা ১১ টা বছৰত গ্ৰহণ কৰা পদক্ষেপ সন্দৰ্ভত আলোকপাত কৰিবলৈ প্ৰয়াস কৰা হৈছে। আজি দেশৰ সাংস্কৃতিক ঐতিহ্য সংৰক্ষণৰ দ্বাৰা ভাৰতীয় সভ্যতাৰ গৌৰৱ পুনৰুদ্ধাৰ সন্দৰ্ভত আলোকপাত কৰা হৈছে।

বিগত দশকটোত ভাৰতৰ সাংস্কৃতিক যাত্ৰা এটা দৃষ্টিনন্দন আল্পনাৰ দৰে ৰঙীণ, পৰম্পৰাক প্ৰতিফলিত কৰা আৰু বিশ্বমুখী আছিল। হাম্পিৰ প্ৰাচীন মন্দিৰৰ পৰা ধ্ৰুপদী সংগীত আৰু নৃত্যৰ প্ৰচলিত পৰম্পৰাক চৰকাৰে নতুন ৰূপত পুনৰুজ্জীৱিত কৰি তুলিছে। অযোধ্যাৰ ৰাম মন্দিৰ জনসাধাৰণৰ ঐতিহাসিক অভিলাষ পূৰণ কৰি দেশৰ বিশ্বাস আৰু ৰাষ্ট্ৰীয় একতাৰ অনন্য প্ৰতীক  হিচাপে পৰিগণিত হৈছে। তদুপৰি বাৰানসীৰ কাশী বিশ্বনাথ ধাম কৰিড'ৰ প্ৰকল্পই কাশী বিশ্বনাথ মন্দিৰক পৱিত্ৰ গংগা নৈৰ সৈতে সংযুক্ত কৰি তীৰ্থ যাত্ৰীসকলক অভিনৱ অভিজ্ঞতাৰ স্বাদ দিছে। পাঁচ হাজাৰ কোটি টকা আৱণ্টন কৰা স্বদেশ দৰ্শন আঁচনিয়ে দেশত ৭৬ টা প্ৰকল্প ৰূপায়ণেৰে পৰিবহণ আন্তঃগাঁথনিৰ বিস্তৰ ৰূপান্তৰ সাধন কৰিছে। একেদৰে হৃদয় আঁচনিৰ অধীনত ১২ খন ঐতিহ্য নগৰীক বিকশাই তোলাৰ লক্ষ্য লোৱা হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ জম্মু-কাশ্মীৰত উধমপুৰ-শ্ৰীনগৰ-বাৰামুল্লা সংযোগী ৰে'ল প্ৰকল্প ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰিব। প্ৰায় ৪৪ হাজাৰ কোটি টকা ব্যয়েৰে ২৭২ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই ৰে'ল প্ৰকল্প ৰূপায়ণ কৰা হৈছে। পূৰ্ণ বৈদ্যুতিকীকৰণ কৰা এই পথছোৱাত ৩৬ টা সুৰংগ আৰু ৯৪৩ খন দলং আছে। প্ৰধানমন্ত্ৰীয়ে লগতে উধমপুৰ-শ্ৰীনগৰ-বাৰামুল্লা সংযোগী ৰে'ল প্ৰকল্পৰ অংশস্বৰূপ বিশ্বৰ সৰ্বোচ্চ ৰে'ল আৰ্ক-ব্ৰীজ অৰ্থাৎ খিলান সেতু চেনাব দলং আৰু দেশৰ প্ৰথম কেবল ষ্টে'ড ৰে'ল ব্ৰীজ অনজি দলং মুকলি কৰিব। উধমপুৰ-শ্ৰীনগৰ-বাৰামুল্লা সংযোগী ৰে'ল প্ৰকল্পই কাশ্মীৰ উপত্যকা আৰু দেশৰ বাকী অংশৰ সৈতে সকলো বতৰতে ৰে'ল যোগাযোগ সুগম কৰি তুলিব। এই প্ৰকল্পই অঞ্চলটোৰ আৰ্থ-সামাজিক বিকাশো ত্বৰান্বিত কৰিব।

প্ৰধানমন্ত্ৰীয়ে কাইলৈ জম্মু-কাশ্মীৰ ভ্ৰমণৰ সময়ত শ্ৰীমাতা বৈষ্ণ'দেৱী কাট্ৰাৰ পৰা শ্ৰীনগৰলৈ আৰু শ্ৰীনগৰৰ পৰা কাট্ৰালৈ দুখন বন্দে ভাৰত এক্সপ্ৰেছ ৰে'লগাড়ীৰ যাত্ৰাৰো শুভাৰম্ভ কৰিব। অৱশ্যে, এই ৰে'ল গাড়ী দুখনৰ নিয়মীয়া যাত্ৰা শনিবাৰৰ পৰা আৰম্ভ হ'ব। শ্ৰীমোদীয়ে বিশেষকৈ সীমান্তৱৰ্তী অঞ্চলৰ যোগাযোগ ব্যৱস্থা সুদৃঢ় কৰাৰ উদ্দেশ্যে কেইবাটাও পথ প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। ৩৫০ কোটি টকা ব্যয়েৰে কাট্ৰাত নিৰ্মাণ কৰিবলগীয়া শ্ৰীমাতা বৈষ্ণ'দেৱী চিকিৎসা উৎকৰ্ষ প্ৰতিষ্ঠানৰো তেওঁ আধাৰশিলা স্থাপন কৰিব। এইখন ৰিয়াচি জিলাৰ প্ৰথমখন চিকিৎসা মহাবিদ্যালয় হ'ব।

০০০০০

কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি কৈছে, যে জন্মু ৰে'ল ষ্টেচনৰ পুনৰনিৰ্মাণৰ কাম সম্পূৰ্ণ হোৱাৰ পাছত অহা ছেপ্তেম্বৰ মাহৰ পৰা জন্মু আৰু শ্ৰীনগৰৰ মাজত পোনপটীয়া ৰে'ল সেৱা আৰম্ভ হ'ব। তেওঁ কয়, যে জম্মু ৰে'ল ষ্টেচনৰ নিৰ্মাণৰ কাম অব্যাহত আছে আৰু ছেপ্তেম্বৰ মাহৰ ভিতৰত নিৰ্মাণকাৰ্য্য সম্পূৰ্ণ হোৱাৰ আশা কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে আজি নিৰ্মিয়মান জম্মু ৰে'ল ষ্টেচন পৰিদৰ্শন কৰি সবিশেষ বুজ লয়। কাশ্মীৰলৈকে বহু প্ৰতীক্ষিত ৰে'ল সেৱা আৰম্ভ কৰাৰ প্ৰস্তুতিৰ অংশ হিচাপে তেওঁ জম্মু ভ্ৰমণ কৰে।

ooooo

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি নতুন দিল্লীত কাজাখস্তানৰ উপ-প্ৰধানমন্ত্ৰী আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰী মুৰাট নুৰ্টলিউৰ সৈতে বৈঠকত মিলিত হয়। বৈঠকত ড০ জয়শংকৰে ভাৰত আৰু কাজাখস্তানৰ মাজৰ দ্বিপাক্ষিক সহযোগিতা সুদৃঢ় কৰাৰ বাবে এখন চুক্তিত স্বাক্ষৰ কৰে। তেওঁ ৰাজনীতি, বাণিজ্য, বিনিয়োগ আৰু শক্তিৰ সহযোগিতা আদিৰ ক্ষেত্ৰত দুয়োখন দেশৰ মাজত কৌশলগত সহযোগিতা সুদৃঢ় কৰাৰ সন্দৰ্ভত আলোচনা কৰে। ড০ জয়শংকৰে লগতে মধ্য এছিয়া অঞ্চলত যোগাযোগ বৃদ্ধি কৰা সন্দৰ্ভত বাৰ্তালাপ কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে লগতে কাজাখস্তানৰ উপ-প্ৰধানমন্ত্ৰীগৰাকীয়ে সন্ত্ৰাসবাদৰ ক্ষেত্ৰত শূণ্য সহনশীলতাৰ স্থিতিক পুনৰ দোহাৰাৰ বাবে ভূয়সী প্ৰশংসা কৰিছে।

ooooo

পবিত্ৰ গংগা দছেৰা উৎসৱ উপলক্ষে অযোধ্যাৰ শ্ৰী ৰাম জন্মভূমি মন্দিৰৰ প্ৰথম মহলাত আজি ৰাজা ৰাম আৰু অন্য দেৱতাৰ মূৰ্তিত প্ৰাণ প্ৰতিষ্ঠা কৰা হয়। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে ৰাম দৰবাৰৰ প্ৰাণ প্ৰতিষ্ঠা অনুষ্ঠানত ভাগ লয়।

ooooo

ছিকিমৰ চটেনত আৱদ্ধ হৈ থকা পৰ্য্যটকসকলক উদ্ধাৰ কৰাৰ বাবে চলোৱা অভিযান প্ৰতিকূল বতৰৰ বাবে বন্ধ ৰাখিবলগীয়া হৈছে। পুৱাৰ ভাগত এম আই ছেভেণ্টিন শ্ৰেণীৰ হেলিকপ্তাৰেৰে আৱদ্ধ হৈ থকা ১০৯ গৰাকী পৰ্য্যটকৰ ভিতৰত ৬৩ গৰাকীক চটেনৰ পৰা পাকয়ং বিমান বন্দৰলৈ অনা হয়। পৰ্য্যটকসকলক শিলিগুৰিলৈ লৈ যোৱাৰ বাবে ছিকিম চৰকাৰে বিশেষ বাছৰ ব্যৱস্থা কৰিছে। ইয়াৰ উপৰি, আৱদ্ধ পৰ্য্যটকসকলক বাগডোগ্ৰালৈ নিৰাপদে ঘূৰাই অনাৰ বাবে এম আই ছেভেণ্টিন হেলিকপ্তাৰ সাজু কৰি ৰখা হৈছে।

ooooo

কংগ্ৰেছ সাংসদ শশী থাৰুৰৰ নেতৃত্বত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰতিনিধি দলটোৱে আমেৰিকা যুক্তৰাষ্ট্ৰত দেশখনৰ শীৰ্ষ নেতৃবৰ্গ, জ্যেষ্ঠ বিষয়া আৰু আমেৰিকাত থকা ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলৰ সন্মুখত সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতে গ্ৰহণ কৰা শক্তিশালী স্থিতি সন্দৰ্ভত দৃঢ়তাৰে প্ৰকাশ কৰে। ৱাশ্বিংটন ডিচিত আমেৰিকাৰ বৈদেশিক পৰিক্ৰমা সম্পৰ্কীয় সংসদীয় সমিতিৰ নেতৃবৰ্গৰ সৈতে সাক্ষাতৰ পাছত শ্ৰী থাৰুৰে কয়, যে এই বৈঠকত সন্ত্ৰাসবাদী আক্ৰমণক গৰিহণা দিয়া আৰু শত্ৰু ৰাষ্ট্ৰৰ আক্ৰমণৰ পৰা নিজক সুৰক্ষা দিয়াৰ বাবে ভাৰতে গ্ৰহণ কৰা পদক্ষেপ সন্দৰ্ভত সকলো নেতাই সহমতত উপনীত হয়।

ooooo

ভাৰতৰ চিৰাগ ছেট্টি আৰু সাত্বিকসাইৰাজ ৰণকীৰেড্ডীৰ যুটীটো ইণ্ডোনেছিয়া অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ ডাবলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। চিৰাগ আৰু সাত্বিক সাইৰাজৰ যুটীটোৱে আজি জাকাৰ্টাত অনুষ্ঠিত প্ৰি-কোৱাৰ্টাৰ ফাইনেলত ডেনমাৰ্কৰ ৰাচমছ কেজৰ আৰু ফ্ৰেড্ৰিক ছোগাৰ্ডৰ যুটীটোক ১৬-২১, ২১-১৮, ২২-২০ গেমত পৰাস্ত কৰে। ইয়াৰ পূৰ্বে আজি মহিলাৰ ছিংগলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত ভাৰতৰ আগশাৰীৰ বেডমিণ্টন খেলুৱৈ পি ভি সিন্ধু থাইলেণ্ডৰ পোৰ্ণপাৱি চোছুৱঙৰ হাতত ২২-২০, ১০-২১, ১৮-২১ গেমত পৰাভূত হয়। একেদৰে মহিলাৰ ডাবলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত ত্ৰিষা জলী আৰু গায়ত্ৰী গোপীচান্দৰ যুটীটো জাপানৰ ম্যু মাৎসুমোটো আৰু য়ুকি ফুকুছিমাৰ হাতত পৰাজিত হৈ প্ৰতিযোগিতাৰ পৰা বাহিৰ হয়।

ooooo

পেৰিছত অনুষ্ঠিত ফ্ৰেন্স অ'পেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষ আৰু মহিলাৰ ছিংগলছৰ ছেমি ফাইনেলৰ প্ৰতিদ্বন্দ্বীসকল নিশ্চিত হৈছে। মহিলাৰ ছিংগলছৰ ছেমি ফাইনেলত আজি শীৰ্ষ বাছনিপ্ৰাপ্ত আৰ্য়ানা চাবালেংকাৰ পোলেণ্ডৰ পঞ্চম বাচনিপ্ৰাপ্ত ইগা শ্বিৰেটেকৰ আৰু বাছনিবিহীন ফ্ৰান্সৰ লোইচ বইনছ আমেৰিকাৰ ককো গ'ফৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

সমাপ্ত